**09-06-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – পিতাৰ লগত উৰিবলৈ সম্পূৰ্ণ পৱিত্ৰ হোৱা, সম্পূৰ্ণ সমৰ্পণ হৈ যোৱা, এই দেহ মোৰ নহয় – একেবাৰে অশৰীৰী হোৱা"**

প্ৰশ্ন: উচ্চ লক্ষ্যত উপনীত হ'বলৈ কোনটো ভয় আঁতৰি যোৱা উচিত?

উত্তৰ: বহুত সন্তানে মায়াৰ ধুমুহালৈ বহুত ভয় কৰে। তেওঁলোকে কয় – বাবা মায়াৰ ধুমুহাই বহুত হায়ৰাণ কৰে, ইয়াক বন্ধ কৰি দিয়া। বাবাই কয় – সন্তানসকল, এয়াতো মুষ্টিযুদ্ধ। সেই মুষ্টিযুদ্ধতো এনেকুৱা নহয় যে এফালৰ পৰাই প্ৰহাৰ হৈ থাকে। যদি এজনে 10 ঘোচা মাৰে তেন্তে আনজনে 5 ঘোচা নিশ্চয় মাৰিব, সেইবাবে তোমালোকে ভয় খাব নালাগে। মহাবীৰ হৈ বিজয়ী হ'ব লাগে, তেতিয়া উচ্চ লক্ষ্যত উপনীত হ'ব পাৰিবা।

গীত: দৰ পৰ আয়ে হে কচম লেকে... (দুৱাৰডলিলৈ আহিছোঁ প্ৰতিজ্ঞা লৈ...)

ওঁম্ শান্তি। সন্তানসকলে গীতটি শুনিলা। নিশ্চয় গীতটিত কিবা ৰহস্য নিহিত হৈ আছে। যিটো বাণীবদ্ধ গীত কিনি আনি পিতাই বহি ইয়াৰ অৰ্থ বুজায়। ইয়াক কোৱা হয় – জীৱন্তে মৰি পিতাৰ হোৱা। পিতাৰ হোৱাৰ পাছত শিক্ষকৰ হোৱা, শিক্ষকৰ পাছত বেছিভাগে গুৰুৰ শৰণ লয়। খ্ৰীষ্টিয়ানসকলেও যেতিয়া সন্তান জন্ম হয় তেতিয়া খ্ৰীষ্টান কৰে। গুৰুৰ কোলাত তুলি দিয়ে। লাগিলে পাদুৰীয়ে হওঁক বা আন কোনোবাই হওঁক। পাদুৰীজনতো যীশুখ্ৰীষ্ট নহয়। তেওঁলোকে কয় – তেওঁৰ (যীশুৰ) নামত আমি খ্ৰীষ্টান হওঁ।

এতিয়া তোমালোক সন্তানসকল প্ৰথমে পিতাৰ হোৱা, অশৰীৰী হোৱা। আমাৰ তন-মন-ধন যি কিছু আছে সেয়া বাবাক অৰ্পণ কৰোঁ। জীৱন্তে মৰোঁ অৰ্থাৎ আমি আত্মাসকল তেওঁৰ হওঁ। এইটো বুদ্ধিত থাকিব লাগে। যি মোৰ বস্তু আছে, মোৰ শৰীৰ, মোৰ ধন, সম্পত্তি, সম্বন্ধীয় আদি যি কিছু আছে সকলো পাহৰি যায়। মৰাৰ পাছত সকলো পাহৰি যোৱা যায় নহয়। কিমান উচ্চ লক্ষ্য। আমি অশৰীৰী আত্মা। এইটো দৃঢ় কৰিব লাগে। এনেকুৱা নহয় যে তোমালোকে শৰীৰ ত্যাগ কৰা আৰু মৰি যোৱা। নহয়, আত্মা জানো সম্পূৰ্ণ পৱিত্ৰ হৈছে। যদিও পিতাৰ হৈছা কিন্তু বাবাই কয় – তোমালোক আত্মা অপৱিত্ৰ। আত্মাৰ পাখি ভাঙি গৈছে। এতিয়া আত্মা উৰিব নোৱাৰে। তমোপ্ৰধান হোৱাৰ বাবে এজনো মনুষ্য উভতি যাব নোৱাৰে। মায়াই একদম পাখি ভাঙি দিছে। বাবাই বুজাইছে – আত্মা সকলোতকৈ তীব্ৰ বেগত যায়। আত্মাতকৈ বেগী বস্তু একো নাই। আত্মাতকৈ বেগত একো গৈ পাব নোৱাৰে। অন্তিমত মহৰ নিচিনাকৈ সকলো আত্মাই দৌৰে। ক'লৈ যায়। বহুত দূৰ-দূৰণিৰ সূৰ্য-চন্দ্ৰৰো সিপাৰে। তাৰপৰা আকৌ উভতি আহিব নালাগে। তেওঁলোকৰ (বিজ্ঞানীসকলৰ) ৰকেট আদিতো গৈ পুনৰ উভতি আহে। সূৰ্যলৈতো যাব নোৱাৰে। তোমালোকেতো তাতকৈও বহুত দূৰলৈ যাব লাগে। সূক্ষ্মলোকৰ ওপৰত মূললোকলৈ যাব লাগে। আত্মাই পাখি পাই যায়। হিচাপ-নিকাচ নিষ্পত্তি কৰি আত্মা পৱিত্ৰ হৈ যায়। বিনাশৰ সময়ৰ মহিমা বহুত লিখা আছে। সকলো আত্মাই হিচাপ-নিকাচ নিষ্পত্তি কৰি যাব লাগে। এতিয়াতো সকলো আত্মা মলিয়ন, পাপ আত্মা। যদিও ডাঙৰ গুৰু সাধু-সন্ন্যাসী আদি আছে। তেওঁলোকে ভাবে – আমি গুৰু। ময়েই ব্ৰহ্ম....। মই ব্ৰহ্মত গৈ পাইছোঁ। এতিয়া ইয়াত বহি আছে, ব্ৰহ্মত আকৌ ক'ত গৈ পালে। এতিয়া তোমালোকে জানা – আমি আত্মাসকল ব্ৰহ্মৰ নিবাসী। কিন্তু এতিয়া তালৈ কোনেও যাব নোৱাৰে। সকলো আত্মাই ইয়াত পুনৰ্জন্ম লয়। এইখন বেহদৰ ড্ৰামা। সকলো ভাৱৰীয়াই ভূমিকা পালন কৰিবলৈ তাৰ পৰা নিশ্চয় আহিব লাগে। সকলো আত্মা মঞ্চলৈ আহিছে। যেতিয়া বিনাশৰ সময় হয় তেতিয়া সকলো আহি যায়, তাত থাকি কি কৰিব! ভাৱৰীয়াই ভূমিকা পালন নকৰাকৈ ঘৰতে জানো বহি থাকিব।

ড্ৰামাত নিশ্চয় আহিব লাগে। তাৰপৰা যেতিয়া সকলো গুচি আহে, তেতিয়া পিতাই পুনৰ সকলোকে লৈ যায়। পিতাই কয় – যদিও মই ইয়াত আছোঁ, তথাপিও আত্মাসকল আহি থাকে, ক্ৰমানুসৰি বৃদ্ধি হৈ গৈ থাকে। আকৌ তোমালোক যাবাও ক্ৰমানুসৰি। সকলো নিৰ্ভৰ কৰে তোমালোকৰ অৱস্থাৰ ওপৰত, সেইবাবে তোমালোক জীৱন্তে মৰিব লাগে। মই আত্মা – এইটো নিশ্চয় কৰিবলৈ পৰিশ্ৰম হয়। সন্তানসকল বাৰে বাৰে দেহ-অভিমানত আহি পাহৰি যায়। দেহী-অভিমানী হৈ তেতিয়া থাকিবা যেতিয়া সম্পূৰ্ণ সমৰ্পণ হ'বা, বাবা এই সকলোবোৰ আপোনাৰ। ময়ো আপোনাৰ। এই দেহ যেনিবা মোৰ নহয়েই, ইয়াক মই ত্যাগ কৰি দিওঁ। বাবা, মই আাপোনাৰ। বাবাই কয় – মোৰ হৈ আন সকলোৰে পৰা মমত্ব আঁতৰাই দিয়া। বাকী এনেকুৱা নহয় যে ইয়াত আহি বহি যাব লাগে। তোমালোকে নিজৰ পেছাগত কাম-কাজ কৰিব লাগে। ঘৰৰ তত্ত্বাৱধান ল'ব লাগে। সন্তানসকলে মাতা-পিতাৰ ধাৰ পৰিশোধ কৰিব লাগে। তেওঁলোকৰ সেৱা কৰি প্ৰতিদান দিব লাগে। মাতা-পিতাৰ প্ৰতিপালনৰ ঋণৰ বোজা সন্তানসকলৰ ওপৰত পৰে। এতিয়া পিতাই তোমালোকক প্ৰতিপালন কৰি আছে। আৰম্ভণিত যিসকল আহিছিল সকলো তৎক্ষণাৎ সমৰ্পণ কৰি দিলে। নিজৰ ওচৰত একো নাৰাখিলে, সমৰ্পণ কৰিলে, সেই ধনেৰে তোমালোক সন্তানসকলে ভাৰতক পাৱন কৰি আছা। ভাৰতহে একেবাৰে পৱিত্ৰ আছিল। ভাৰতবাসীৰ নিচিনা পৱিত্ৰ সুখী আন কোনো হ'ব নোৱাৰে। ভাৰত সকলোতকৈ ডাঙৰ তীৰ্থ। য'ত পতিত-পাৱন পিতা আহি গোটেই সৃষ্টিক, পতিতসকলকো পৱিত্ৰ কৰি তোলে। এতিয়া এই তত্ব আদি সকলো শত্ৰু। ভূমিকম্প হ'ব, ধুমুহা বলিব কিয়নো তমোপ্ৰধান হয়। প্ৰাকৃতিক দুৰ্যোগ আহিব, বহুত দুখ দিব। এই সময়ত সকলো দুখদায়ী বস্তু। সত্যযুগত হ'ল সকলো সুখদায়ী বস্তু। তাত এই ধুমুহা বা গৰম বতাহ আদি একো নাথাকে। তোমালোকৰ ভিতৰতো এই কথাবোৰ বহুত কমসংখ্যকেহে বুজি পায়। আজি আছে কাইলৈ নাই তেন্তে কোৱা হ'ব একোৱে বুজা নাই। যদিও ইয়ালৈ আহে কিন্তু সকলোৱে স্থায়ী হৈ জানো থাকে। ইয়াৰ পৰা গ'ল, 10 দিন পাছত খবৰ লিখিব – বাবা, অমুকক মায়াই খাই পেলালে। এনেকুৱা হৈ থাকে। সৰু ফুল ডাঙৰ হ'লে তাত ফল ধৰে। তেওঁলোকৰ আকৌ আনকো নিজৰ সমান কৰি তোলাৰ শক্তি থাকে। তাৰ ফল ওলায়।

পিতাৰ হ'লা আকৌ প্ৰজাও তৈয়াৰ কৰিব লাগে, উত্তৰাধিকাৰীও তৈয়াৰ কৰিব লাগে। পাণ্ডা হৈ বাবাৰ ওচৰলৈ আহিলা, বচ্ আমি আহি পালোঁ। নহয়, লক্ষ্য উচ্চ। সন্তানসকলে কয় – মায়াৰ ধুমুহা বহুত আহে। তোমালোক পিতাৰ হৈছা, ধুমুহাতো আহিবই। এনেকৈ কয় – বাবা আমি আপোনাৰ আছিলোঁ। আপোনাৰ পৰা উত্তৰাধিকাৰ লৈছিলোঁ আকৌ পুনৰ্জন্ম লৈ 84 জন্ম অতিবাহিত কৰিলোঁ পুনৰ আহি আপোনাৰ হৈছোঁ। মইতো আপোনাৰ পৰা উত্তৰাধিকাৰ লৈহে এৰিম। গতিকে এনেকুৱা পিতাক ইমান স্মৰণ কৰিব লাগিব আৰু নিজৰ সমানকৈ গঢ়ি ফল দিব লাগিব। নহ'লে মালা কেনেকৈ হ'ব। পিতাৰ উত্তৰাধিকাৰী কেনেকৈ কৰি তুলিবা। প্ৰজাৰো প্ৰয়োজন, উত্তৰাধিকাৰীৰো প্ৰয়োজন, যিয়ে সিংহাসনত বহিব। পিতাৰ ওচৰলৈতো বহুত আহে, আকৌ ত্যাগ কৰি গুচি যায়। বুদ্ধিৰ যোগসূত্ৰ ছিঙিল, খেলা সমাপ্ত।

বহুত সন্তানে বাবাক আহি সোধে – বাবা অৱস্থা কেনেকৈ গঢ়ি তোলোঁ, কোনো ধুমুহা যাতে নাহে। ইয়াৰ ৰাস্তাতো দেখুৱায়ে থাকে, পিতাক স্মৰণ কৰা। ধুমুহাতো আহিব। মুষ্টিযুদ্ধত এনেকুৱা কেতিয়াবা দেখিছা জানো যে কোনোবা এজনেই ঘোচা খাই থাকিব। নিশ্চয় দুয়োজনৰেই সাহস থাকিব। যদি এজনে 5 ঘোচা মাৰে তেন্তে আনজনে 10 ঘোচা মাৰিব। এয়াও মুষ্টিযুদ্ধ। পিতাক স্মৰণ কৰি থাকিলে মায়া পলাই যাব কিন্তু তৎক্ষণাৎতো নহ'ব। মায়াৰ লগত মল্লযুদ্ধ কৰিব লাগিব। এনেকৈ নাভাবিবা যে মায়াই থাপৰ নামাৰিব। লাগিলে যিয়েই নহওক, ডাঙৰ মুষ্টিযুদ্ধ হয়। বহুতে ভয় খায়, মায়াই একেবাৰে নাকত ধৰি দিয়ে। যুদ্ধক্ষেত্ৰ নহয় জানো। বুদ্ধিৰ যোগসূত্ৰ গঢ়িলে মায়াই ডাঙৰ বিঘিনি আনি দিয়ে। সকলো পৰিশ্ৰম যোগতে হয়। যদিও বাবাই কয় – জ্ঞান স্বৰূপ আত্মা মোৰ প্ৰিয়। কিন্তু এনেকুৱা নহয় কেৱল জ্ঞান দিওঁতাজন প্ৰিয়। প্ৰথমেতো পূৰা যোগ লাগে। পিতাক স্মৰণ কৰিব লাগে। মায়াৰ বিঘিনিলৈ ভয় কৰিব

নালাগে। বিশ্বৰ মালিক হোৱা নহয়। সকলো হ'বনে? 16108 ৰ মালাতো বহুত ডাঙৰ। শেষত গৈ সম্পূৰ্ণ হ'ব। ত্ৰেতাৰ অন্তলৈ কিমান ৰাজকুমাৰ-ৰাজকুমাৰী হয়, কিবাতো চিহ্ন থাকে নহয়। 8 (আঠৰো) লক্ষণ আছে। 108 ৰো লক্ষণ আছে। এয়া একেবাৰে শুদ্ধ। ত্ৰেতাৰ অন্তত ইমান – 16108 ৰাজকুমাৰ-ৰাজকুমাৰী হয়। আৰম্ভণিতেতো নহ'ব। প্ৰথমতে কমসংখ্যক হয় পাছত বৃদ্ধি হৈ গৈ থাকে। সেয়া সকলো ইয়াতে হয়। সুযোগ বহুত ভাল, কিন্তু পৰিশ্ৰম বহুত। গীততো কয়, কেতিয়াও এৰি নাযাওঁ, মৰি যাম...। বাবা, এই তন-মন-ধন সকলো আপোনাৰ। আমি অশৰীৰী হৈ আপোনাক স্মৰণ কৰোঁ। বুদ্ধিৰ যোগসূত্ৰ আপোনাৰ সৈতে গঢ়িম। বাবাই আকৌ কয় – এই সকলোবোৰ তোমালোক সন্তানসকলৰ বাবেই। সন্তানসকলে কয় – আমাৰ সকলো আপোনাৰ। এনেকৈ কয় নহয়, এই সকলোবোৰ ভগৱানে দিছে! এতিয়া পিতাই কয় - এই সকলোবোৰ নাশ হৈ যাব। তোমালোকৰ ওচৰত কি আছে? এই শৰীৰো নাশ হৈ যাব। এতিয়া মই পুনৰ তোমালোকক সলনি কৰি দিওঁ। কেৱল সাল-সলনি কৰে নহয়। সেয়েহে পিতাই কয় – সন্তানসকল অশৰীৰী হোৱা। মোক স্মৰণ কৰা। বুদ্ধিৰে সকলো সমৰ্পণ কৰা। ৰজা হৰিশ্চন্দ্ৰৰ কাহিনী আছে নহয়। ক'লে – সা-সম্পত্তি ন্যাসত ৰাখি দিয়া।

পিতাই কয় – এই সকলো শাস্ত্ৰ আদিৰ সাৰ তোমালোকক বুজাওঁ। ময়েই তোমালোকক ব্ৰহ্মাৰ মুখৰ দ্বাৰা ৰজা-ৰাণী কৰি তুলিছিলোঁ, এতিয়া পুনৰ কৰি তোলোঁ। কেতিয়াও মনুষ্যই মনুষ্যক গীতা শুনাব, ৰাজযোগ শিকাই ৰজা-ৰাণী কৰি তুলিব নোৱাৰে। তেন্তে গীতা শুনি কি লাভ। পিতাই কয় – মই নিজে কল্পই কল্পই আহি তোমালোকক স্বৰ্গৰ মালিক কৰি তোলোঁ। মোৰ হ'লে তেতিয়াহে উত্তৰাধিকাৰী হ'বা নহয়। গতিকে যিমানে যোগত থাকিবা সিমানে শুদ্ধ হৈ গৈ থাকিবা। বাবা, এই সকলোবোৰ আপোনাৰ। মইতো নিমিত্ত। আপোনাৰ হুকুম অবিহনে মই একো নকৰোঁ। শৰীৰ নিৰ্বাহ কেনেকৈ কৰিব লাগে তাৰো মত লয়। সাধাৰণতে গৰিবেহে সম্পূৰ্ণ খতিয়ান দিয়ে। ধনৱানে দিব নোৱাৰে। সমৰ্পণ হ'ব নোৱাৰে, কোনোবা বিৰলজনহে ওলাই আহে। যেনেকৈ এজন জনকৰ নাম আছে। সতি-সন্ততি আছে, যৌথ সম্পত্তি আছে তেন্তে সেয়া কেনেকৈ বেলেগ হ'ব। ধনৱানসকলে নিজৰ সম্পত্তি উলিয়াব কেনেকৈ যে সমৰ্পণ হ'ব? পিতা হয়েই গৰিবৰ কল্যাণ কৰোঁতা। সকলোতকৈ গৰিব হ'ল মাতাসকল, তাতকৈ বেছি গৰিব হ'ল কন্যাসকল। কন্যাসকলৰ কেতিয়াও উত্তধিকাৰৰ নিচা নাথাকে। পুত্ৰ সন্তানসকলৰ পিতাৰ সম্পত্তিৰ নিচা থাকে। কিন্তু সেই সকলো ত্যাগ কৰি আকৌ বৈকুণ্ঠৰ উত্তৰাধিকাৰ ল'ব লাগে। দান সদায় গৰিবকহে দিয়া হয়। ভাৰত হ'ল সকলোতকৈ গৰিব, আমেৰিকা বহুত ধনৱান। তেওঁলোকক উত্তৰাধিকাৰ দিয়ে জানো? ভাৰত সকলোতকৈ ধনৱান আছিল আৰু কোনো ধৰ্ম নাছিল। কেৱল ভাৰতবাসীয়ে আছিল, এটাই ভাষা আছিল। ভগৱান এজন। মই এক সাৰ্বভৌমত্ব, এক ধৰ্ম, এক ভাষা প্ৰতিষ্ঠা কৰোঁ। এজন সৰ্বশক্তিমান, এখন চৰকাৰ প্ৰতিষ্ঠা কৰোঁ। একৰ পৰা আকৌ দুই, তিনি হ'ব। এতিয়া কিমান ধৰ্ম আছে, পুনৰ নিশ্চয় এক ধৰ্ম হোৱা উচিত। 5 হাজাৰ বছৰৰ কথা। এটা ধৰ্ম আছিল। বিদ্বানসকলে সত্যযুগৰ আয়ুস লাখ লাখ বছৰ কৰি দিলে। সত্যযুগ কি হয় বুজি নাপায়। তেওঁলোকে ভাবে, স্বৰ্গবাসী হ'ল, কিজানি ওপৰলৈ গুচি গ'ল। দেলৱাড়া মন্দিৰতো স্বৰ্গ ওপৰৰ ছাদত আছে। সেয়েহে মনুষ্য বিভ্ৰান্ত হৈ যায়। প্ৰকৃততে স্বৰ্গ কোনো ওপৰত নাই। তোমালোকে এতিয়া জানা – বাবাৰ ওচৰলৈ গৈ পুনৰ ইয়ালৈকে আহি ৰাজত্ব কৰিম। এই জ্ঞান বুদ্ধিত থকা উচিত, যাতে যিকোনো লোককে বুজাব পাৰা। অপৈণতসকলকতো মায়াৰূপী চৰায়ে খাই পেলাব, সেইবাবে ফটোও বিচৰা হয়। খতিয়ান ৰখা হয়।

পিতাৰ ওচৰলৈ বাতৰি আহে – অমুকে এডালেই এনেকুৱা জ্ঞানৰ বাণ মাৰিলে যে মই বাবাৰ হৈ গ'লোঁ। শাস্ত্ৰতো লিখা আছে – কুমাৰীসকলৰ দ্বাৰা বাণ মাৰিলে। হেৰ', পিতাক কিয় পাহৰিলা? ইয়াকে জ্ঞানৰ বাণ বুলি কোৱা হয়। কেৱল পিতাৰ স্মৃতি সোঁৱৰাই দিব লাগে। বাকী কোনো হিংসক বাণৰ কথা নহয়। বাবাই কয় – মই ব্ৰহ্মাৰ মুখেৰে সকলো শাস্ত্ৰৰ ৰহস্য তোমালোকক বুজাওঁ। ব্ৰহ্মাতো নিশ্চয় ইয়াত থকা

উচিত। তেওঁলোকে আকৌ বিষ্ণুৰ নাভিকমলেৰে ব্ৰহ্মাৰ আবিৰ্ভাৱ হোৱা দেখুৱাইছে। একোৱেই নাজানে। মনুষ্যইতো মনত যি আহিল তাকে লিখি দিলে। আৱৰ্জনাতো বহুত আছে। তন্ত্ৰ-মন্ত্ৰ কৰোঁতাও বহুত হৈ গ'ল। সত্য যেতিয়া প্ৰকট হয় তেতিয়া মিছলীয়াসকলে তাৰ বিৰুদ্ধাচৰণ কৰে। এতিয়া তোমালোকে বুজি পোৱা যে শিৱবাবা হৈছে নিৰাকাৰ আৰু এই ব্ৰহ্মা হ'ল সাকাৰ। বাকী নাভি আদিৰতো কোনো কথাই নাই। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) এতিয়া জ্ঞান স্বৰূপ আত্মা হ'ব লাগে, কেৱল জ্ঞান শুনা আৰু শুনাওঁতা নহয়। স্মৃতিত থকাৰো যত্ন কৰিব লাগে। অশৰীৰী হৈ অশৰীৰী পিতাক স্মৰণ কৰিব লাগে।

(2) পিতাৰ হৈ অন্য সকলো কথাৰ পৰা মমত্ব নাইকিয়া কৰি দিব লাগে। এই দেহো মোৰ নহয়। পূৰা দেহী-অভিমানী হৈ সম্পূৰ্ণ সমৰ্পণ হ'ব লাগে।

বৰদান:

মাষ্টৰ সৰ্বশক্তিমানৰ কৰ্তৃত্বৰ আসনত স্থিৰ হৈ থাকোঁতা সহজ আৰু সদাকালৰ কৰ্মযোগী হোৱা

যেনেকৈ যেতিয়া কোনো যন্ত্ৰ স্থিৰ (সাজু) কৰা হয় তেতিয়া এবাৰ স্থিৰ কৰাৰ পাছত স্বতঃ চলি থাকে, এইটো ৰীতিৰে মাষ্টৰ সৰ্বশক্তিমানৰ কৰ্তৃত্বৰ আসনত নিজক এবাৰ স্থিৰ কৰি দিয়া তেতিয়া কেতিয়াও দুৰ্বলতাৰ শব্দ উচ্চাৰিত নহ'ব। প্ৰতিটো সংকল্প, শব্দ বা কৰ্ম সেই চেটিং অনুসৰি স্বতঃ চলি থাকিব। এইটো চেটিঙেই সহজ আৰু সদাকালৰ বাবে কৰ্মযোগী, নিৰন্তৰ নিৰ্বিকল্প সমাধিত থাকোঁতা সহজযোগী কৰি তুলিব।

শ্লোগান: ‘মই’ৰ পৰিৱৰ্তে ‘বাবা বাবা’ বুলি কোৱা - এয়াই স্মৃতিত থকাৰ প্ৰমাণ।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: সদায় হৰ্ষিত হৈ থাকিবলৈ নিজৰ স্বভাৱ সৰল কৰি তোলা, সহনশীল হোৱা

যিসকল সহনশীল, তেওঁলোকেহে ড্ৰামাৰ ঢালত স্থিৰ হৈ থাকিব পাৰে আৰু সদায় প্ৰফুল্লিত বা হৰ্ষিত হৈ থাকিব পাৰে। স্বভাৱত সহনশীলতা নাথাকিলে ড্ৰামাৰ ঢালখন ধৰাটোও কঠিন হৈ পৰে। বৰ্তমান সময়ত যিয়েই কৰ্ম কৰা তাত যাতে 'কৰণ-কৰাৱনহাৰ'ৰ স্মৃতি সদায় থাকে। কৰাওঁতাজন হৈছে পিতা, কৰোঁতাজন নিমিত্ত — যদি এইটো স্মৃতিত ৰাখি কৰ্ম কৰা তেতিয়া অনুভৱ হ'ব যেন সাক্ষী হৈ ভূমিকা পালন কৰি আছোঁ ।

[বি:দ্র: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]